# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-MAY-2026

**Time :** 1100 AM

***Assamese 1100 AM Bulletin***

——————————————————

০০০০০০

ষোড়শ অসম বিধানসভা অধিৱেশনৰ আজি পঞ্চম তথা অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি বিধেয়কখন গৃহীত হোৱাৰ সম্ভাৱনা আছে। বিধেয়কখনক লৈ শাসক আৰু বিৰোধী উভয় পক্ষৰ বিধায়কসকলে সপক্ষে আৰু বিপক্ষে নিজৰ যুক্তি দাঙি ধৰিছে। শাসক পক্ষৰ ফালৰ পৰা পীযুষ হাজৰিকা আৰু বিশ্বজিৎ দৈমাৰীয়ে বিধেয়কখন ৰাষ্ট্ৰীয় সংহতি আৰু সমতাৰ বাবে প্ৰয়োজনীয় বুলি আজি সদনত দাবী কৰে। আনহাতে, বিৰোধীয়ে ইয়াক সংখ্যালঘুৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ আৰু বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰিছে। অন্তিম দিনা এই গুৰুত্বপূৰ্ণ বিষয়ক লৈ হোৱা বিতৰ্কই অধিবেশনৰ সামৰণিত বিশেষ মাত্ৰা প্ৰদান কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে সামগ্ৰীৰ মূল্য বৃদ্ধি নিয়ন্ত্ৰণ তথা জনসাধাৰণক কিছু পৰিমাণে ইয়াৰ পৰা সকাহ দিবৰ বাবে অহা জুলাইৰ প্ৰথম সপ্তাহত দাখিল কৰিবলগা বাজেটত বিশেষ ৰূপৰেখা প্ৰস্তুত কৰিব বুলি কালি সদনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। বিধানসভাত ৰাজ্যপালে দিয়া ভাষণৰ বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে ইৰান আৰু আমেৰিকাৰ যুদ্ধ তথা হৰমুজ প্ৰণালীৰ অস্থিৰতাই সমগ্ৰ বিশ্বৰে আৰ্থিক গতি স্থবিৰ কৰিছে। স্বাভাৱকিতে ভাৰতৰ লগতে অসমতো ইয়াৰ ভয়াবহ প্ৰভাৱ পৰাটো সকলোৰে পৰিলক্ষিত হৈছে। বিশেষকৈ সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ বিষয়টো অতি চিন্তাজনক আৰু ৰাজ্য চৰকাৰে এই দিশত আন্তৰিকতাৰে গুৰুত্ব আৰোপ কৰি সমাধানৰ বাবে চেষ্টা চলাই থকা বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নতুন চৰকাৰখনে মূল্য বৃদ্ধি ৰোধ তথা বজাৰ নিয়ন্ত্ৰণ কৰি ৰখাৰ বাবে ইতিমধ্যে দায়িত্ব লোৱাৰ পাছতে তাৎক্ষণিকভাৱে ব্যয় সংকোচন কৰাৰ দিশত দৃঢ়তাৰে কাম কৰি মিতব্যয়ীতাৰ কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। অনাগত বাজেটত ৰাহি হোৱা ধনেৰে মূল্য বৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ দিব পৰা ফলপ্ৰসূ নীতিৰ ৰূপৰেখাও ৰাজ্য চৰকাৰে তৈয়াৰ কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি অহা জুলাইৰ প্ৰথম সপ্তাহতে ৰাজ্য চৰকাৰে বাজেট দাখিল কৰিব আৰু সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰো ব্যৱস্থা কৰিব। তেওঁ লগতে পেট্ৰ'ল আৰু ডিজেলৰ আন্তৰ্জাতিক বজাৰ মূল্য দ্ৰুতগতিত বৃদ্ধি হোৱাৰ বাবে অনাগত সময়ত ৰাজ্যত খাদ্য তথা অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধি আগতীয়া ইংগিতো লাভ কৰা বুলি জানিবলৈ দিয়ে। ভাৰতে ইন্ধনৰ লগতে কৃষিজাত তথা অন্যান্য বহু সামগ্ৰী বিদেশৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱাৰ বাবে যুদ্ধ পৰিৱেশত দেশৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰ যোৱা ৪ মাহত হ্ৰাস পোৱা বুলি উল্লেখ কৰি তেওঁ পূৰ্বে জমা থকা ৭২০ বিলিয়ন বিদেশী মুদ্ৰা এতিয়া হ্ৰাস হৈ ৬৮৮ বিলিয়ন হোৱা বুলি সদনত জনায়। অৱশ্যে এই কঠিন সময়তো দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় নীতিয়ে ভাৰতৰ লগতে অসমকো বিপদৰ পৰা উদ্ধাৰ কৰিব বুলি ড০ শৰ্মাই ভাষণত কয়।

০০০০০০

চুবুৰীয়া দেশৰ পৰা হোৱা ব্যাপক অনুপ্ৰৱেশৰ বাবে দেশৰ সীমান্তবৰ্তী অঞ্চলসমূহত জনবিন্যাস পৰিৱৰ্তনৰ বিষয়টোক লৈ কেন্দ্ৰীয় চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। জনবিন্যাস পৰিৱৰ্তনে পেলোৱা প্ৰভাৱৰ পৰ্যালোচনাৰ লগতে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কেন্দ্ৰই এখন উচ্চস্তৰীয় সমিতি গঠন কৰিছে। কালি সামাজিক মাধ্যমত এই বিষয়ে ঘোষণা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে জনবিন্যাসৰ পৰিৱৰ্তন দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। নৱগঠিত এই সমিতিয়ে কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ জনসংখ্যা অস্বাভাৱিক বৃদ্ধি, ধৰ্মান্তৰকৰণ, লাভ জেহাদ, ভূমি জেহাদ আদি বিষয়সমূহ বিবেচনালৈ আনিব বুলি তেওঁ জানিবলৈ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰকাশ প্ৰভাকৰ নাওলেকৰক এই সমিতিৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। সমিতিৰ সদস্য হিচাপে আছে প্ৰাক্তন আই এ এছ্ বিষয়া দুৰ্গা শংকৰ মিশ্ৰ, বালাজী শ্ৰীবাস্তৱ আৰু অৰ্থনীতিবিদ ড০ শমিকা ৰবি। আনহাতে গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিবে সমিতিখনৰ সদস্য সচিব হিচাপে দায়িত্ব পালন কৰিব। জনগাঁথনিৰ পৰিৱৰ্তনে সৃষ্টি কৰা ভাবুকিৰ বিষয়টো পৰ্যবেক্ষণ কৰাৰ লগতে এই অস্বাভাৱিক পৰিৱৰ্তন বিশ্লেষণ কৰি সমিতিখনে চৰকাৰক পৰিকল্পিত সময়োপযোগী সমাধানৰ প্ৰস্তাৱ দিব। উল্লেখযোগ্য যে ২০২৫ৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সমিতিখনৰ কথা প্ৰথমবাৰৰ বাবে ঘোষণা কৰিছিল।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ সকলো অনুমোদিত বিদ্যালয়ৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়ন প'ৰ্টেল অহা ৩০ মে' পৰ্যন্ত পুনৰ মুকলি কৰা হৈছে। পৰিষদৰ সচিবে কালি এটা জাননীযোগে এই কথা সদৰি কৰে। জাননীত উল্লেখ থকা অনুসৰি প'ৰ্টেলত পঞ্জীয়নভুক্ত ছাত্ৰ-ছাত্ৰীৰ তথ্য সংশোধনৰ বিকল্পও উপলব্ধ থাকিব। বিদ্যালয়সমূহে পঞ্জীয়ন প'ৰ্টেলত গৈ ধন পৰিশোধ কৰাৰ পাছত ফৰ্ম-ফিফটি ডাউনলোড কৰিব লাগিব। উল্লেখযোগ্য যে সময়সীমা উকলাৰ পূৰ্বে আগতে বাদ পৰা ছাত্ৰ-ছাত্ৰীকো বিদ্যালয়সমূহে প্ৰয়োজন সাপেক্ষে নতুনকৈ প'ৰ্টেলত যোগ কৰিব পাৰিব।

০০০০০০

ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ বিশেষ সংস্থা ইউনেস্কোৰ বিষয়ে সম্যক জ্ঞান প্ৰদান কৰাৰ উদ্দেশ্যে কালি গুৱাহাটীৰ পানবজাৰস্থিত ডনবস্ক বিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত উত্তৰ পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰৰ কাৰ্যকৰী সঞ্চালক তথা ইউনেস্কো এচোছিয়েচন গুৱাহাটীৰ সচিব প্ৰধান ড০ অশ্বিনী শৰ্মাই অসম তথা উত্তৰ পূৰ্বাঞ্চলত চলি থকা ইয়াৰ কাৰ্যকলাপৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ড০ ফাডাৰ এলেক্স মেথিউৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত আছিল।

০০০০০০

**সমাপ্ত**